# 2017

# POLITICAL SCIENCE

## ( Major )

Paper : 6.6

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

OPTION—C

**( DEMOCRACY IN INDIA )**

**1.** Answer the following as directed : 1×7=7

তলত দিয়াবোৰৰ নিৰ্দেশানুযায়ী উত্তৰ দিয়া :

*(a)* Who is the author of the book titled, *India After Gandhi—The History of World's Largest Democracy?*

*India After Gandhi—The History of World's Largest Democracy* নামৰ গ্ৰন্থখনৰ লেখক কোন ?

*(i)* Amalendu Guha

অমলেন্দু গুহ

(ii) Ramachandra Guha

রামচন্দ্ৰ গুহ

(iii) Shashi Tharoor

শশী থৰুৰ

(iv) Amartya Sen

অমৰ্ত্য সেন

( Choose the correct answer )

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

(b) The Tenth Schedule of the Constitution of India deals with '____'.

( Fill in the blank )

ভাৰতবৰ্ষৰ সংবিধানৰ দশম অনুসূচী '____'ৰ বিষয়বস্তুৰ সৈতে জড়িত।

( খালী ঠাই পূৰণ কৰা )

(c) What is the number of subjects transferred to Panchayat bodies under the Eleventh Schedule of the Constitution of India?

ভাৰতবৰ্ষৰ সংবিধানৰ একাদশ অনুসূচীৰ আধাৰত পঞ্চায়তীৰাজ অনুষ্ঠানসমূহলৈ হস্তান্তৰ কৰা বিষয়সমূহৰ সংখ্যা কিমান?

(d) Who is the author of the book titled, *The Discovery of India*?

*The Discovery of India* নামৰ গ্ৰন্থখনৰ লেখক কোন?

(i) Sarojini Naidu / সৰোজিনী নাইডু

(ii) B. R. Ambedkar / বি. আৰ. আম্বেদকাৰ

(iii) Jawaharlal Nehru / জৱাহৰলাল নেহৰু

(iv) Mahatma Gandhi / মহাত্মা গান্ধী

( Choose the correct answer )

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

(e) Who is the author of the book titled, *An Anti-Secularist Manifesto*?

*An Anti-Secularist Manifesto* নামৰ গ্ৰন্থখনৰ লেখক কোন?

(i) Andre Beteille / আন্দ্ৰে বেটে

(ii) Taslima Nasreen / তচলিমা নাচৰিন

(iii) Neera Chandhoke / নীৰা চাণ্ডোক

(iv) Ashis Nandy / আশীস নন্দী

( Choose the correct answer )

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

(f) The Vice President of India is elected by an 'electoral collage' consisting of

ভাৰতবৰ্ষৰ উপ-ৰাষ্ট্ৰপতিগৰাকীৰ নিৰ্বাচনৰ অৰ্থে 'নিৰ্বাচকমণ্ডল' গঠিত হয়

(i) elected members of both the Houses of the Parliament

সংসদৰ উভয় সদনৰ নিৰ্বাচিত সদস্যসকলৰ দ্বাৰা

(ii) elected members of the Lok Sabha only

কেৱল লোকসভাৰ নিৰ্বাচিত সদস্যসকলৰ দ্বাৰা

(iii) members of both the Houses of the Parliament

সংসদৰ উভয় সদনৰ সদস্যসকলৰ দ্বাৰা

(iv) members of the Rajya Sabha only

কেৱল ৰাজ্যসভাৰ সদস্যসকলৰ দ্বাৰা

( Choose the correct answer )

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

(g) The 'Objective Resolution' was moved by Pandit Jawaharlal Nehru in the Constituent Assembly of India on '____' December, '____'.

( Fill in the blank )

ভাৰতবৰ্ষৰ সংবিধান সভাত পণ্ডিত জৱাহৰলাল নেহৰুৱে 'উদ্দেশ্য প্ৰস্তাৱ'সমূহ উত্থাপন কৰিছিল '____' চনৰ ডিচেম্বৰ মাহৰ '____' তাৰিখে।

( খালী ঠাই পূৰণ কৰা )

*( Continued )*

**2.** Answer any *two* of the following questions very shortly : 4×2=8

তলত দিয়াবোৰৰ যি কোনো দুটাৰ অতি চমুকৈ উত্তৰ দিয়া :

(a) Mention two factors that led to the rise of multiparty system in India.

ভাৰতবৰ্ষত বহুদলীয় ব্যৱস্থাৰ বিকাশৰ দুটা কাৰক উল্লেখ কৰা।

(b) Write a note on 'the Congress system' in India.

ভাৰতবৰ্ষৰ 'কংগ্ৰেছ ব্যৱস্থা'ৰ ওপৰত এটা টোকা যুগুত কৰা।

(c) Mention two reasons for emergence of ethnic parties in India.

ভাৰতবৰ্ষত জাতিগত দলসমূহৰ উদ্ভৱৰ দুটা কাৰণ উল্লেখ কৰা।

(d) Mention two challenges faced by the Panchayati Raj institutions in India.

ভাৰতবৰ্ষত পঞ্চায়তীৰাজ অনুষ্ঠানসমূহে সন্মুখীন হোৱা দুটা প্ৰত্যাহ্বান উল্লেখ কৰা।

**3.** Write short notes on any *three* of the following : 5×3=15

তলত দিয়াবোৰৰ যি কোনো তিনিটাৰ চমু টোকা লিখা :

(a) Regionalism in North-East India

উত্তৰ-পূব ভাৰতবৰ্ষত আঞ্চলিকতাবাদ

(b) Coalition Politics in Assam
অসমত জোটবন্ধনৰ ৰাজনীতি

(c) Problems of Chronic Poverty in India
ভাৰতবৰ্ষত দীৰ্ঘকালস্থায়ী দাৰিদ্ৰতাৰ সমস্যাসমূহ

(d) The Twelfth Schedule of the Constitution of India
ভাৰতবৰ্ষৰ সংবিধানৰ দ্বাদশ অনুসূচী

(e) AIUDF
এ. আই. ইউ. ডি. এফ.

4. Answer any *three* from the following questions : 10×3=30
তলত দিয়াবোৰৰ যি কোনো তিনিটাৰ উত্তৰ দিয়া :

(a) Examine the federal character of Indian Democracy with special reference to the role of the State parties.
ৰাজ্যিক দলসমূহৰ বিশেষ উল্লেখেৰে সৈতে ভাৰতবৰ্ষৰ গণতন্ত্ৰৰ যুক্তৰাষ্ট্ৰীয় চৰিত্ৰৰ পৰীক্ষা কৰা।

(b) Write a short essay on 'Religion and Challenges of Democracy in India'.
'ধৰ্ম আৰু ভাৰতবৰ্ষত গণতন্ত্ৰৰ প্ৰত্যাহ্বানসমূহ' বিষয়ৰ ওপৰত এখনি চমু ৰচনা যুগুত কৰা।

(c) Discuss the caste oppression in India. Is caste also a class category in India?
ভাৰতবৰ্ষত জাতি-নিপীড়নৰ বিষয়ে আলোচনা কৰা। ভাৰতবৰ্ষত জাতিয়ে শ্ৰেণী বিভাগও সূচায় নেকি?

(d) What do you mean by the term 'Democratic Decentralization'? Discuss the constitutional provisions for local governance in India.
'গণতান্ত্ৰিক বিকেন্দ্ৰীকৰণ' বুলিলে কি বুজা? ভাৰতবৰ্ষত স্থানীয় প্ৰশাসন সম্পৰ্কে সাংবিধানিক ব্যৱস্থাৱলীৰ আলোচনা কৰা।

(e) Do you think that the era of coalition politics is over in India? Discuss in the present context.
ভাৰতবৰ্ষত জোটবন্ধনৰ ৰাজনীতিৰ যুগৰ ওৰ পৰা বুলি তুমি ভাবানে? সমসাময়িক প্ৰসঙ্গত আলোচনা কৰা।

## OPTION—D

## ( HUMAN RIGHTS IN INDIA )

**1.** Answer the following questions : 1×7=7
তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা :

(a) Cite an example from the Vedas, which reflects the existence of human rights during that period.
বেদৰ পৰা এটা উদাহৰণ দিয়া, যিটোৱে সেই সময়ত মানৱ অধিকাৰৰ অস্তিত্বক প্ৰতিফলিত কৰে।

(b) Which Article of the Constitution of India abolishes untouchability?
ভাৰতৰ সংবিধানৰ কোনটো অনুচ্ছেদে অস্পৃশ্যতাৰ বিলোপসাধন কৰিছে?

(c) What is the tenure of the office of a member of National Human Rights Commission of India?
ভাৰতৰ ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ সদস্যৰ কাৰ্যকাল কিমান?

(d) Who is Irom Chanu Sharmila?
ইৰম চানু শৰ্মিলা কোন?

(e) How many communities in India are recognized as minorities?
ভাৰতত সংখ্যালঘু হিচাপে কেইটা সম্প্ৰদায়ক স্বীকৃতি দিয়া হৈছে?

(f) Write the fundamental duty of an Indian citizen for protection of environment.
পৰিবেশৰ সুৰক্ষাৰ বাবে ভাৰতীয় নাগৰিক এজনে পালন কৰিবলগীয়া মৌলিক কৰ্তব্যটো কি ?

(g) Who are considered to be the indigenous people of India?
ভাৰতত কাক খিলঞ্জীয়া অধিবাসী হিচাপে গণ্য কৰা হয় ?

**2.** Answer the following questions : 2×4=8
তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

(a) Mention two causes of existence of child labours in India.
ভাৰতত শিশুশ্ৰমিক থকাৰ দুটা কাৰণ উল্লেখ কৰা।

(b) Write two functions of National Commission for Scheduled Tribes.
ৰাষ্ট্ৰীয় অনুসূচীত জনজাতি আয়োগৰ দুটা কাৰ্য লিখা।

(c) Suggest two measures for eradication of terrorism in North-East India.
উত্তৰ-পূব ভাৰতৰ সন্ত্ৰাসবাদ নিৰ্মূল কৰিবলৈ দুটা পৰামৰ্শ আগবঢ়োৱা।

(d) Mention two provisions which protect the rights of indigenous people of India.
ভাৰতৰ খিলঞ্জীয়া অধিবাসীৰ অধিকাৰ ৰক্ষাৰ বাবে থকা দুটা ব্যৱস্থা উল্লেখ কৰা।

**3.** Write short notes on any *three* of the following : 5×3=15

তলত দিয়াবোৰৰ যি কোনো তিনিটাৰ চমু টোকা লিখা :

(a) Right to Education

শিক্ষাৰ অধিকাৰ

(b) State Human Rights Commission

ৰাজ্যিক মানৱ অধিকাৰ আয়োগ

(c) Right to Constitutional Remedies

সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ

(d) Human Rights Court

মানৱ অধিকাৰ আদালত

(e) Medha Patkar

মেধা পাট্‌কাৰ

**4.** Briefly discuss the similarities between the fundamental rights of the Constitution of India and the Universal Declaration of Human Rights (1948). 10

ভাৰতৰ সংবিধানৰ মৌলিক অধিকাৰ আৰু সাৰ্বজনীন মানৱ অধিকাৰ ঘোষণাপত্ৰৰ (1948) মাজৰ সাদৃশ্যসমূহ চমুকৈ আলোচনা কৰা।

*Or / অথবা*

Discuss the constitutional provisions for protection of human rights of citizens of India.

ভাৰতৰ নাগৰিকৰ মানৱ অধিকাৰ ৰক্ষাৰ বাবে থকা সাংবিধানিক ব্যৱস্থাসমূহ আলোচনা কৰা।

**5.** Discuss the role of the institutional mechanisms for protection of human rights in India. 10

ভাৰতত মানৱ অধিকাৰ ৰক্ষাৰ বাবে আনুষ্ঠানিক আহিলাসমূহৰ ভূমিকা আলোচনা কৰা।

*Or / অথবা*

Discuss the role of National Human Rights Commission of India. What are its limitations?

ভাৰতৰ ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ ভূমিকা আলোচনা কৰা। ইয়াৰ সীমাবদ্ধতাসমূহ কি কি?

**6.** Discuss the composition and functions of National Commission for women. Do you think that the role played by the Commission for the protection of women's rights is satisfactory? 10

ৰাষ্ট্ৰীয় মহিলা আয়োগৰ গঠন আৰু কাৰ্যসমূহ আলোচনা কৰা। মহিলাৰ অধিকাৰ ৰক্ষাৰ বাবে আয়োগে গ্ৰহণ কৰা ভূমিকা তুমি সন্তোষজনক বুলি ভাবানে?

*Or* / *অথবা*

What is Chipko Movement? How were women involved with this movement? Discuss briefly.

চিপ্‌কো আন্দোলন কি? এই আন্দোলনৰ লগত মহিলাসকল কেনেদৰে জড়িত হৈ পৰিছিল? চমুকৈ আলোচনা কৰা।

★★★